

# প্ৰফুল্লকুমাৰ মহন্ত

## বিশ্ববিদ্যালয় চৌহদৰপৰা জনতা ভৱনলৈ



১৯৫৫ চনৰ ডিচেম্বৰ মাহৰ শীতৰ পুৱা। নগাঁও জিল্লাৰ কলিয়াবৰৰ বেঙেনাআটি সত্ৰৰ প্ৰাথমিক স্কুলৰ শিক্ষক দেৱকান্ত মহন্তৰ ঘৰত এটা নৱজাত শিশুৰ কান্দোন উঠিল। কোনোৱে মন্তব্য কৰিলে কেঁচুৱাটোৱে ভুখ পাইছে ; কোনোৱে ক'লে নৱজাত শিশুটোৱে খাব বিচাৰিছে। চিন্তান্বিত পিতৃয়ে ঘৰৰ আগফালৰ চোতালত বাকীসকলে শুনাকৈ ক'লে— কেঁচুৱাটোৱে কান্দি কান্দি ৰাইজক ইঁহুৰাব।

কেঁচুৱাটো ডাঙৰ হ'বলৈ ধৰিলে। কোনো আমনি নাই। মধ্যবিত্ত সৰু পৰিয়ালটোলৈ আনন্দৰ জোৱাৰ আনিবলৈ ধৰিলে। ওচৰ চুবুৰীয়া ৰাইজে ক'বলৈ ধৰিলে— এই ল'ৰাটো ডাঙৰ হ'লে এসাজ খাব।

নেতা নিৰ্বাচন হোৱাৰ ঠিক পিচতে মহন্তৰ গাঁৱৰ ওচৰ চুবুৰীয়া বয়সস্থ সকলে এনেদৰেই স্মৃতি ৰোমন্থন কৰিছিল। ত্ৰিছ বছৰীয়া তৰুণ এই যুৱকজন অন্য কোনো নহয়, ১৯৭৯ চনৰ জুন মাহৰপৰা ১৯৮৫ চনৰ ১৪ অক্টোবৰলৈকে সদৌ অসম ছাত্ৰ সন্থাক নেতৃত্ব দিয়া আৰু তাৰ পিচতে অসম গণ পৰিষদৰ মুখ্য সভাপতি হিচাবে দায়িত্ব লোৱা আৰু সৌ সিদিনা অৰ্থাৎ যোৱা ২৪ ডিচেম্বৰ তাৰিখে অসমৰ মুখ্যমন্ত্ৰীৰূপে দায়িত্ব লোৱা প্ৰফুল্লকুমাৰ মহন্ত। মহন্তৰ পিতৃ দেৱকান্ত মহন্ত আৰু মাতৃ লখিমী মহন্ত। মহন্তৰ দুজন ভায়েক আৰু এগৰাকী ভনীয়েক।

মাত্ৰ ওঠৰ টকা দৰ্মহাৰে পৰিয়াল চলাবলৈ ভাৰ লোৱা মহন্তৰ পিতৃ দেৱকান্ত মহন্ত এজন সৎ ব্যক্তি। মাতৃ লখিমী মহন্ত এগৰাকী সহজ সৰল গৃহিণী।

কলিয়াবৰত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মহন্তই নগাঁও মহাবিদ্যালয়ত কলেজীয়া শিক্ষা আৰম্ভ কৰে। এই মহাবিদ্যালয়ৰপৰা মহন্তই বিজ্ঞানৰ স্নাতক ডিগ্ৰি লৈ নগাঁও আইন মহাবিদ্যালয়ত ভৰ্তি হয়।

মহন্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা আইনৰ স্নাতক ডিগ্ৰি লৈ আইনৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শেষ মহলাৰ ছাত্ৰ হিচাবে শিক্ষা গ্ৰহণ কৰি আছে। মহন্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা সাংবাদিকতা আৰু ফৰাচী ভাষাৰ পাঠক্ৰমো সমাপ্ত কৰিছে।

অতি কষ্টত ডাঙৰ দীঘল হোৱা প্ৰফুল্লকুমাৰ মহন্তই কোনোদিন কেতিয়াও নিজৰ অভাৱ অসুবিধাৰ কথা কাৰো আগত ব্যক্ত কৰা নাই। যিকোনো পৰিস্থিতিলৈ অকণো ভয় নকৰা মহন্তৰ একমাত্ৰ অস্ত্ৰ হ'ল ওঁঠৰ মিচিকিয়া হাঁহিটো, যিটোৰে তেওঁ শত্ৰুকো সহজতে পৰাভূত কৰে।



প্ৰফুল্লকুমাৰ মহন্ত ॥ ফটোঃ নাৰায়ণ ৰয়

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত এবাৰ চি. আৰ. পিৰ কোব খোৱাৰ পিচত খবৰ পাই চি. আৰ. পিৰ কমাণ্ডেণ্টজনে মহন্তৰ ওচৰত ক্ষমা বিচাৰি যাওঁতে মহন্তই কৈছিল— ''ক্ষমাৰ কি প্ৰয়োজন? আপোনালোকে তেওঁলোকক যেনেদৰে শিকাইছে তেনেদৰেই কাম কৰিছে।''

অসমৰ এই তৰুণ মুখ্যমন্ত্ৰীজনৰ মূল্যায়ণ কৰাৰ সময় এতিয়াই নহয় যদিও এই ছয় বছৰীয়া আন্দোলনৰ নেতৃত্ব দিয়া আৰু নতুন মুখ্যমন্ত্ৰী হিচাবে কাৰ্যভাৰ লোৱা মহন্তৰ কাৰ্যাৱলীয়ে অদূৰ ভৱিষ্যতত অসমক সুস্থ নেতৃত্ব দিবলৈ সক্ষম হ'ব পাৰিব বুলি অসমৰ ৰাইজৰ বিশ্বাস জন্মিছে।

আমি মহন্তৰ সুদীৰ্ঘ কৰ্মময় জীৱন কামনা কৰিলোঁ। □